জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২০৩/২০২১

# গ্ৰামাঞ্চলত গৃহ নিৰ্মাণৰ ক্ষেত্ৰত কৰ আৰোপ, পঞ্চায়তৰ অনুমতিৰ প্ৰশ্ন নুঠে ঃ ৰাজ্য চৰকাৰ

**দিছপুৰ, ০৫ আগষ্ট ঃ** অসম চৰকাৰে গ্ৰামাঞ্চলত গৃহ নিৰ্মাণৰ ক্ষেত্ৰত পঞ্চায়তৰ অনুমতি লোৱা তথা কৰ বা মাচুল আৰোপৰ কোনো সিদ্ধান্ত লোৱা নাই। আজি এক বিবৃতিযোগে ৰাজ্য চৰকাৰে এই কথা স্পষ্ট কৰি দিছে। এই সন্দৰ্ভত একাংশ সংবাদ মাধ্যমত প্ৰকাশিত বাতৰিৰ প্ৰতি ৰাজ্য চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে। গাঁৱৰ জনসাধাৰণলৈ সৰ্বোচ্চ সেৱা আগবঢ়োৱাই হৈছে ৰাজ্য চৰকাৰৰ লক্ষ্য আৰু এই ক্ষেত্ৰত উন্নয়নমূলক আঁচনিসমূহ ৰূপায়ণৰ মূল আহিলা হৈছে পঞ্চায়ত ব্যৱস্থা। সেয়ে গ্ৰামাঞ্চলত গৃহ নিৰ্মাণৰ ক্ষেত্ৰত পঞ্চায়তৰ অনুমোদন বাধ্যতামূলক কৰা বা কোনো কৰ আৰোপ কৰাৰ বিষয়ে চৰকাৰে বিবেচনা কৰা নাই। ৰাজ্য চৰকাৰে স্পষ্ট কৰি দিব বিচাৰে যে সমগ্ৰ ৰাজ্যৰ লগতে বিশেষকৈ গ্ৰামাঞ্চলৰ উন্নয়নৰ দিশত বিভিন্ন পদক্ষেপ গ্ৰহণেৰে চৰকাৰে সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। এই ক্ষেত্ৰত নতুনকৈ কোনো পঞ্চায়তৰ অনুমোদন ব্যৱস্থা বা কৰ আৰোপৰ কথা চৰকাৰে চিন্তা কৰা নাই।

**পুঃডেঃ / বঃভাঃ / প্ৰঃকুঃবঃ**
**০৫/০৮/২০২১**